**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
**Headlines**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বাংলাদেশৰ ভ্ৰমণৰত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন সাধাৰণ বাজেট দাখিলৰ পূৰ্বে নতুন দিল্লীত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্তমন্ত্ৰীসকলৰ সৈতে প্ৰাক বাজেট বৈঠকত মিলিত হৈছে।

৩। অসমৰ কেইটামান বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সমিতি গঠন কৰা হৈছে।

৪। কেন্দ্ৰীয় চৰকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অসৎ পন্থা অৱলম্বন কৰাৰ ঘটনা আৰু অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এখন কঠোৰ আইন প্ৰণয়ন কৰিছে।

৫। শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হৈছে। ***আৰু***

৬। ভাৰত আজি এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বাংলাদেশৰ ভ্ৰমণৰত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োখন দেশ বিভিন্ন ক্ষেত্ৰৰ কেইবাখনো চুক্তিত উপনীত হয়। দুদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হোৱা শ্ৰীমতী হাছিনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি ভৱনত আজি পুৱা বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিক আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰীমতী হাছিনাৰ সৈতে শুভেচ্ছামূলক মত বিনিময় কৰে। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে দুয়োখন দেশৰে মন্ত্ৰী আৰু প্ৰতিনিধিবৰ্গৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছতে শ্বেইখ হাছিনাই ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়।

ভাৰতত উপস্থিত হোৱাৰ পাছতে কালি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে শ্ৰীমতী হাছিনাক সৌজন্যমূলক সাক্ষাৎ কৰে। এই সাক্ষাতৰ পাছত ড০ জয়শংকৰে কয় যে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা ওচৰ সম্পৰ্কক প্ৰতিফলিত কৰিছে। শ্বেইখ হাছিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানতো উপস্থিত আছিল।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বাংলাদেশ ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ প্ৰধান দেশ। শেহতীয়াকৈ দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কই নতুন মাত্ৰা লাভ কৰিছে। দুয়োখন দেশৰ মাজত বাণিজ্য, নিৰাপত্তা,

শক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু প্ৰতিৰক্ষাকে ধৰি বিভিন্ন বিষয়ত সহযোগিতা আছে। প্ৰধানমন্ত্ৰী হাছিনাৰ এই ভ্ৰমণে ভাৰত আৰু বাংলাদেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন সাধাৰণ বাজেট দাখিলৰ পূৰ্বে নতুন দিল্লীত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্তমন্ত্ৰীসকলৰ সৈতে প্ৰাক বাজেট বৈঠকত মিলিত হৈছে। বৈঠকত বিত্ত ৰাজ্যিক মন্ত্ৰী পংকজ চৌধুৰী, বিত্ত সচিব টি ভি সোমনাথন, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছে। তদুপৰি গোৱা, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ছিকিমৰ মুখ্যমন্ত্ৰীসকলৰ উপৰি বিহাৰ, মধ্যপ্ৰদেশ, ওড়িশা, ৰাজস্থান আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰীসকলে এই বৈঠকত অংশগ্ৰহণ কৰিছে। অন্যান্য ৰাজ্যৰ বিত্তমন্ত্ৰীসকলো বৈঠকত উপস্থিত আছে। শ্ৰীমতী সীতাৰমনে কালি কৃষক সংগঠন আৰু কৃষি অৰ্থনীতিবিদ সকলৰ সৈতে বাজেটক লৈ আলোচনাত মিলিত হয়। ইয়াৰ পূৰ্বে তেওঁ বিত্তীয় আৰু মূলধন বজাৰখণ্ডৰ আগশাৰীৰ বিশেষজ্ঞ, উদ্যোগপতি আৰু একাংশ অৰ্থনীতিবিদৰ সৈতেও একে বিষয়ক লৈ বৈঠকত মিলিত হৈছিল।

০০০০০০০

অসমৰ কেইটামান বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সমিতি গঠন কৰা হৈছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই সমিতিৰ সদস্যসকলৰ নাম প্ৰকাশ কৰিছে। সেই অনুসৰি দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মাক উপ-নিৰ্বাচন সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি দিয়া হৈছে। ছিদলি বিধানসভা সমষ্টিৰ বাবে বিধায়ক অজয় ৰায়, বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাজীৱ ব্ৰহ্ম আৰু বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বিভূতি বৰগয়াৰিক দায়িত্ব দিয়া হৈছে। বঙাইগাঁও বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ অ'বিচি মৰ্চাৰ অশ্বিনী ৰায় সৰকাৰ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বনদীপ ডেকা আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য অৰূপ দেক দায়িত্ব দিয়া হৈছে। বিধায়ক জিতু গোস্বামী, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অনিল শইকীয়া আৰু মহেন্দ্ৰ কোঁৱৰক চামগুৰি বিধানসভা সমষ্টিৰ দায়িত্ব দিয়া হৈছে। একেদৰে ধলাই বিধানসভা সমষ্টিৰ বাবে বিধায়ক কৌশিক ৰায়, দলৰ ৰাজ্যিক সম্পাদক কনাদ পুৰকায়স্থ আৰু কাছাৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক শশাংক পালক দায়িত্ব দিয়া হৈছে। বিহালি বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দুলেন নায়কৰ লগতে বিধায়কদ্বয় দিগন্ত কলিতা আৰু ভূবন পেগুক দায়িত্ব দিছে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অসৎ পন্থা অৱলম্বন কৰাৰ ঘটনা আৰু অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এখন কঠোৰ আইন প্ৰণয়ন কৰিছে। এই আইনখনত দোষীসকলক সৰ্বাধিক ১০ বছৰ কাৰাদণ্ড আৰু ১ কোটি টকা পৰ্যন্ত জৰিমণা বিহাৰ ব্যৱস্থা কৰা হৈছে। কৰ্মচাৰী মন্ত্ৰালয়ৰ আনুষ্ঠানিক ৰাজপত্ৰ অধিসূচনা যোগে এই আইনৰ ব্যৱস্থাসমূহ কালিৰে পৰা প্ৰযোয্য কৰা হৈছে। সাৰ্বজনীন পৰীক্ষা অসৎ পন্থা নিয়ন্ত্ৰণ বিধেয়ক ২০২৪, ৬ ফেব্ৰুৱাৰীত লোকসভাত আৰু ৯ ফেব্ৰুৱাৰীত ৰাজ্যসভাত গৃহীত হৈছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ১২ ফেব্ৰুৱাৰীত বিধেয়কখনত অনুমোদন জনাইছিল। কেন্দ্ৰীয় লোকসেৱা আয়োগ, কৰ্মচাৰী চয়ন আয়োগ, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, ৰে'লৱে নিযুক্তি পৰিষদ, বেংক নিযুক্তি পৰীক্ষা নিকায় আৰু আন আন সংস্থাই আয়োজন কৰা পৰীক্ষাসমূহত অসৎ পন্থা নিয়ন্ত্ৰণৰ উদ্দেশ্যে এই আইনখন প্ৰণয়ন কৰা হৈছে। আইনখনত প্ৰৱঞ্চনাৰ ঘটনা ৰোধ

কৰাৰ বাবে কমেও ৩ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থ কৰা হৈছে। তদুপৰি প্ৰৱঞ্চনাৰ সংগঠিত অপৰাধৰ সৈতে জড়িতসকলক ৫ৰ পৰা ১০ বছৰৰ কাৰাদণ্ড আৰু কমেও ১ কোটি টকাৰ জৰিমণা বিহাৰ ব্যৱস্থা আইনখনত সন্নিৱিষ্ট কৰা হৈছে।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হৈছে। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে আজি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে ২১ৰ পৰা ৩০ জুনলৈকে কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈকে বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

ইতিমধ্যে দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে।

ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিব।

অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

০০০০০০০

ভাৰত আজি এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ছেমিফাইনেলত প্ৰৱেশ কৰিবৰ বাবে ভাৰতীয় দলটোৱে এই খেলখনত জয়ী হ'বলৈ সৰ্বশক্তিৰে চেষ্টা কৰিব। ছুপাৰ-এইটৰ প্ৰথমখন খেলত ভাৰতে আফগানিস্তানক ৪৭ ৰানত

পৰাস্ত কৰিছিল। আনহাতে কালি হোৱা এখন খেলত বাংলাদেশ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ডি এল এছ্ পদ্ধতিত ২৮ ৰানত পৰাজিত হৈছিল। আজিৰ খেলখনত পৰাজিত হ'লে বাংলাদেশ প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। আকাশবাণীয়ে আজিৰ খেলখনৰ পোনপটীয়া প্ৰচাৰ কৰিব।

ইপিনে আজি পুৱা বাৰবাডোছৰ কেনছিংটন অভেলত অনুষ্ঠিত এখন খেলত আয়োজক ৱেষ্ট ইণ্ডিজে আমেৰিকা যুক্তৰাষ্ট্ৰক ৯ উইকেটত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজে ১২৯ ৰানৰ লক্ষ্য অনুসৰণ কৰি মাত্ৰ ১০ অভাৰ ৫টা বলতে ১৩০ ৰান কৰি খেলখনত বিযয়ী হয়। দলটোৰ হৈ ছাই হ'পে ৩৯ টা বলত ৮২ ৰান কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ ৰষ্টন চেজে তিনিটা উইকেট দখল কৰে আৰু তেওঁ প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

0000000

**ঃ সমাপ্ত ঃ**